# ৬.০ উপসংহাৰ

৬.১ অধ্যয়নৰ প্ৰাপ্ত সিদ্ধান্ত

৬.১.১ সত্ৰকেন্দ্ৰিক লোকশিল্প সম্পৰ্কীয়

৬.১.২ ধাতুকেন্দ্ৰিক লোকশিল্প সম্পৰ্কীয়

৬.১.৩ প্ৰাকৃতিক সমলেৰে নিৰ্মিত লোকশিল্প সম্পৰ্কীয়

৬.২ বৰপেটা তথা অসমৰ লোকশিল্পসমূহৰ প্ৰচাৰ-প্ৰসাৰ আৰু অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত কৰণীয় দিশ

# ৬.০ উপসংহাৰ

**'বৰপেটা জিলাৰ লোকশিল্প ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন'** শীর্ষক এই গৱেষণা-কর্মত বর্তমানৰ বৰপেটা জিলাৰ ভৌগোলিক পৰিসৰৰ অন্তৰ্গতভাৱে বসবাস কৰি থকা ভিন্ন জাতি, বর্ণ, ধর্ম নির্বিশেষে বিভিন্ন লোক-সমাজৰ মাজত পৰম্পৰাগতভাৱে চর্চিত , বিকশিত আৰু নির্মিত হৈ অহা লোকশিল্পসমূহৰ বিষয়ে বিজ্ঞানসন্মত অধ্যয়ন দাঙি ধৰা হৈছে। শঙ্কৰী সংস্কৃতিৰ প্ৰাণকেন্দ্ৰস্বৰূপ সত্ৰ-নগৰী বৰপেটা জিলাৰ সমৃদ্ধিশালী আৰু সুপ্ৰাচীন সামাজিক-সাংস্কৃতিক ঐতিহ্যৰ প্ৰেক্ষাপটত ইয়াৰ জন-সমাজৰ মাজত নির্মাণ আৰু ব্যৱহৃত হৈ থকা লোকশিল্পবোৰৰ স্বকীয় সাংস্কৃতিক, অর্থনৈতিক তাৎপর্য নিহিত হৈ আছে। বিজ্ঞান-প্ৰযুক্তিনির্ভৰ দ্ৰুত পৰিৱৰ্তনশীল বর্তমানৰ সমাজ-সংস্কৃতিৰ পৰিপ্ৰেক্ষিতত এই লোকশিল্পবোৰৰ ব্যাৱহাৰিক প্ৰয়োজনীয়তা, বিশ্বায়নে গ্ৰাস কৰা আধুনিক বজাৰ-সর্বস্ব পৰিৱেশ-পৰিস্থিতিত এই লোকশিল্পসমূহৰ গুৰুত্ব আৰু অস্তিত্ব, অর্থনৈতিক আৰু স্ব-নিয়োজনৰ ক্ষেত্ৰত এই লোকশিল্পবোৰৰ ভূমিকা তথা ইয়াৰ প্ৰচাৰ-প্ৰসাৰ, সংৰক্ষণ, সংবর্ধন আৰু পোষণ যিকোনো সমাজৰ সাংস্কৃতিক ঐতিহ্য-বিচাৰ, সেইসমূহৰ ৰক্ষণাৱেক্ষণ আৰু ভৱিষ্যতৰ স্থিতি নিৰূপণৰ প্ৰসংগ সাম্প্ৰতিক এক গভীৰ বিচাৰ্যৰ বিষয়। অধ্যয়নৰ এনে প্ৰাসংগিকতাৰ প্ৰতি দৃষ্টি ৰাখিয়ে এই গৱেষণাত বৰপেটা জিলাৰ লোকশিল্পসমূহৰ সামগ্ৰিক দিশৰ অধ্যয়নৰ অন্তৰ্গতভাৱে লোকশিল্পবিশেষে সেইবোৰৰ ইতিহাস, এই শিল্পসমূহৰ সামাজিক-সাংস্কৃতিক গুৰুত্ব, শৈল্পিক সৌন্দর্য, ব্যাৱহাৰিক প্ৰয়োজনীয়তা তথা ক্ষেত্ৰ, নির্মাণ-পদ্ধতি, নির্মাণৰ লগত জড়িত কেঁচা-সামগ্ৰী তথা সা-সঁজুলি, নির্মাণৰ লগত জড়িত লোকশিল্পীসকলৰ পৰিচয়, অর্থনৈতিক ক্ষেত্ৰত লোকশিল্পবোৰে গ্ৰহণ কৰি অহা ভূমিকা আৰু সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত লোকশিল্পবোৰৰ বর্তমান আৰু ভৱিষ্যতৰ স্থিতি সম্পর্কে বিচাৰ-বিশ্লেষণ আগবঢ়োৱা হৈছে। সামগ্ৰিকভাৱে গৱেষণা-কর্মটি প্ৰস্তুত কৰিবলৈ যাওঁতে 'অৱতৰণিকা' আৰু 'উপসংহাৰ' অংশকেইটাক বাদ দি মুঠ পাঁচোটা অধ্যায়ত বিষয়ৰ আলোচনা দাঙি ধৰা হৈছে। অৱশ্যে 'অৱতৰণিকা' অংশত বিষয়ৰ সামগ্ৰিক পৰিচয়সহ এই গৱেষণা-কর্মত অৱলম্বন কৰা পদ্ধতি আৰু বিষয় সম্পৰ্কীয় পূর্বকৃত অধ্যয়নৰ সমীক্ষাক অন্তৰ্ভুক্ত কৰা হৈছে।

**বৰপেটা জিলাৰ সমাজ-সাংস্কৃতিক ইতিহাস** শীর্ষক **প্ৰথম অধ্যায়**ত বৰপেটা জিলাৰ সমাজ-

সংস্কৃতিৰ সামগ্ৰিক পৰিচয় দাঙি ধৰা হৈছে। এই ক্ষেত্ৰত বৰপেটাৰ ভৌগোলিক অৱস্থিতি তথা ইয়াৰ পৰিসৰ, পাৰিপাৰ্শ্বিক অৱস্থা; বৰপেটা জিলাৰ ঐতিহাসিক, সামাজিক, সাংস্কৃতিক, শৈক্ষিক, অৰ্থনৈতিক, ভাষিক আৰু ধৰ্মীয় বিভিন্ন দিশ সামৰি সামগ্ৰিক আলোচনা আগবঢ়োৱা হৈছে।

**লোকশিল্প আৰু অসমীয়া সংস্কৃতি** শীৰ্ষক **দ্বিতীয় অধ্যায়**ত অধ্যয়নৰ তাত্ত্বিক দিশসমূহ সামৰি বিষয়গত ধাৰণাসমূহক প্ৰতিষ্ঠাপন কৰা হৈছে। এই প্ৰসংগত সংস্কৃতিৰ ধাৰণা আৰু অসমীয়া সংস্কৃতিৰ অন্তৰ্গত বিভিন্ন দিশ, যেনে ঃ লোকসাহিত্য, সামাজিক আচাৰ-অনুষ্ঠান, ভৌতিক সংস্কৃতি আৰু পৰিৱেশ্য কলা সম্পৰ্কে চমু আভাস দাঙি ধৰা হৈছে। লগতে ভৌতিক সংস্কৃতিৰ অন্তৰ্গতভাৱে শিল্প তথা লোকশিল্পৰ ধাৰণা আৰু সংজ্ঞা, লোকশিল্পৰ বিশেষত্ব, ভিন্নজাত শিল্পৰ লগত লোকশিল্পৰ সম্পৰ্ক আৰু পাৰ্থক্য, অসমীয়া সংস্কৃতিৰ অন্তৰ্গতভাৱে লোকশিল্পৰ বিবিধ উপাদান, লোকশিল্পৰ সৈতে সংশ্লিষ্ট সমাজৰ পাৰিপাৰ্শ্বিকতাৰ প্ৰসংগ, সামাজিক ক্ষেত্ৰত লোকশিল্পৰ গুৰুত্ব আদি দিশসমূহক সামৰি বিশ্লেষণ দাঙি ধৰা হৈছে।

**তৃতীয় অধ্যায়**ৰ বিষয়বস্তুৰূপে **সত্ৰকেন্দ্ৰিক লোকশিল্প**সমূহক সামৰি লোৱা হৈছে। এই অধ্যায়ত সত্ৰৰ চমু পৰিচয়সহ বৰপেটাৰ বিভিন্ন সত্ৰৰ পৃষ্ঠপোষকতাত চৰ্চিত, নিৰ্মিত আৰু ৰক্ষিত হৈ থকা ভিন্ন লোকশিল্পসমূহ, যেনে ঃ গুৰু-আসন শিল্প, সত্ৰীয়া ভাস্কৰ্য, সত্ৰীয়া বাদ্য, আতচ্‌বাজী শিল্প আদিবোৰৰ পৰিচয়, নিৰ্মাণৰ লগত জড়িত হৈ থকা শিল্পীসকলৰ পৰিচয়, নিৰ্মাণ-শৈলী, নিৰ্মাণত ব্যৱহাৰ হোৱা কেঁচামাল, শৈল্পিক মান, লোকশিল্পবোৰৰ সাংস্কৃতিক তথা আধ্যাত্মিক গুৰুত্ব আৰু তাৎপৰ্য তথা এই সকলোবোৰৰ ভৱিষ্যৎ সম্পৰ্কে বিচাৰ-বিশ্লেষণ আগবঢ়োৱা হৈছে।

**চতুৰ্থ অধ্যায়**ত বৰপেটা জিলাৰ **ধাতুকেন্দ্ৰিক লোকশিল্প**সমূহৰ বিষয়ে আলোচনা কৰা হৈছে। এই ক্ষেত্ৰত বৰপেটা জিলাৰ সৰ্থেবাৰী অঞ্চলৰ কাঁহ-পিতল শিল্প, বৰপেটাৰ কমাৰ শিল্প, সোণ-ৰূপ-তাম আদি ধাতুৰে নিৰ্মাণ হোৱা আ-অলংকাৰ শিল্প-সামগ্ৰীবোৰৰ পৰিচয়, নিৰ্মাণ-পদ্ধতি, নিৰ্মাণত ব্যৱহাৰ হোৱা কেঁচা-সামগ্ৰী আৰু সা-সঁজুলি, শিল্পীসকলৰ পৰিচয়, অৰ্থনৈতিক আৰু স্বাৱলম্বনৰ ক্ষেত্ৰত এই শিল্পবোৰে গ্ৰহণ কৰি অহা ভূমিকা, সাংস্কৃতিক ক্ষেত্ৰত শিল্পবস্তুবোৰৰ গুৰুত্ব আদি দিশসমূহৰ লগতে পৰিৱৰ্তিত সামাজিক-সাংস্কৃতিক প্ৰেক্ষাপটত এই লোকশিল্পসমূহৰ সাম্প্ৰতিক আৰু ভৱিষ্যৎ স্থিতি সম্পৰ্কেও আলোচনা কৰা হৈছে।

**প্ৰাকৃতিক সমলেৰে নিৰ্মিত লোকশিল্প** শীৰ্ষক গৱেষণা কৰ্মটোৰ অন্তিম অৰ্থাৎ **পঞ্চম অধ্যায়**ত বিভিন্ন প্ৰাকৃতিক উপাদান, যেনে —হাতী দাঁত, মাটি, বাঁহ-বেত, কাঠআদিৰে নিৰ্মাণ কৰা লোকশিল্পবোৰৰ লগতে বৰপেটা জিলাৰ বয়ন শিল্প, তামোলৰ ঢকুৱা আদিৰে নিৰ্মাণ হোৱা শিল্পবস্তুবোৰৰ বিষয়ে বিশ্লেষণ আগবঢ়োৱা হৈছে। এই শিল্পবোৰৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে অধ্যয়নাৰ্থ লোকশিল্পসমূহৰ

পৰিচয়সহ কেইটিমান নিৰ্দিষ্ট দিশত আলোকপাত কৰা হৈছে। সেয়া হ'ল — এই লোকশিল্পসমূহৰ ইতিহাস, শিল্পজাত সামগ্ৰীবোৰ নিৰ্মাণৰ লগত জড়িত শিল্পীসকলৰ পৰিচয়, শিল্পবোৰৰ নিৰ্মাণ-পদ্ধতি আৰু এই ক্ষেত্ৰত ব্যৱহাৰ হোৱা সঁজুলিবোৰৰ পৰিচয়, শিল্পজাত বস্তুবোৰৰ সামাজিক-সাংস্কৃতিক গুৰুত্ব আদি। তদুপৰি সাম্প্ৰতিক তথ্য-প্ৰযুক্তিনিৰ্ভৰ যুগত শিল্পবোৰে সন্মুখীন হৈ অহা সমস্যাৰাজিৰ বিশ্লেষণেৰে লোকশিল্পসমূহৰ বৰ্তমান আৰু ভৱিষ্যতৰ সম্ভাৱনীয় স্থিতি সম্পৰ্কীয় বিচাৰ-বিশ্লেষণো অধ্যয়নৰ পৰিসৰত সামৰি লোৱা হৈছে।

বৰপেটা জিলাৰ লোকশিল্পসমূহৰ বিষয়ে উল্লিখিত ধৰণে কৰা অধ্যয়ন-বিশ্লেষণৰ শেষত তথা বিষয়-সংশ্লিষ্ট মূল আলোচনাসমূহৰ ভিত্তিত উপনীত হোৱা সিদ্ধান্তসমূহ এই অধ্যায়ত দাঙি ধৰা হৈছে। নিম্নলিখিত শিতানসমূহত বিভক্ত কৰি এই অধ্যয়নৰ মূল সিদ্ধান্তসমূহ দেখুওৱা হ'ল —

**৬.১ অধ্যয়নৰ প্ৰাপ্ত সিদ্ধান্ত ঃ**

**৬.১.১ সত্ৰকেন্দ্ৰিক লোকশিল্প সম্পৰ্কীয় ঃ**

(ক) বৰপেটা জিলা সত্ৰকেন্দ্ৰিক লোকশিল্পৰ ভঁৰালস্বৰূপ। ইয়াৰ লোকশিল্পবোৰত বিশেষকৈ গুৰু-আসন শিল্প আৰু সত্ৰীয়া ভাস্কৰ্যসমূহৰ মাজত প্ৰতিফলিত হোৱা শিল্পগত কাৰুকাৰ্য, ৰঙৰ ব্যৱহাৰৰ কৌশল আৰু সুনিপুণ শিল্প-চেতনাই সত্ৰীয়া আধ্যাত্মিক পৰিৱেশক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। এই লোকশিল্পসমূহে সত্ৰ-সংস্কৃতিৰ ঐতিহ্য পৰম্পৰাৰ সাক্ষীস্বৰূপ হোৱাৰ লগতে সত্ৰনিবাসী লোকসকলৰ আধ্যাত্মিক আৰু আৰ্থ-সামাজিক ভেটিও সুদৃঢ় কৰিছে।

(খ) বৰপেটা সত্ৰত প্ৰতিষ্ঠিত হৈ থকা গুৰু-আসন শিল্পবিধৰ মাজেৰে শিল্পীৰ শিল্পসত্তাৰ নৈপুণ্য আৰু ভক্তিৰ সংমিশ্ৰণ সুন্দৰ ৰূপত প্ৰতিফলিত হৈছে। সত্ৰখনৰ মূল কীৰ্তনঘৰত তিনিখন গুৰু-আসন আছে। গুৰু-আসন কেইখনৰ কিছু অংশহে কাঠৰ, বেছিভাগ ৰূপেৰে তৈয়াৰী। নান্দনিক আৰু শিল্পসন্মত কাৰুকাৰ্য খচিত এই গুৰু-আসন কেইখনে নৱ-বৈষ্ণৱ ধৰ্মীয় আদৰ্শক বিশেষ ব্যাপ্তি আৰু গভীৰতা প্ৰদান কৰিছে।

(গ) বৰপেটা সত্ৰৰ কীৰ্তনঘৰৰ বেৰত খোদিত ভাস্কৰ্যবোৰ বিশেষকৈ সামাজিক বাৰ্তাজ্ঞাপক। এইবোৰৰ মাজেৰে ভাৰতীয় আধ্যাত্মিক বিশ্বাস জীৱন্ত ৰূপত প্ৰতিফলিত হৈছে। ভাল কৰ্মৰ ফল ভাল আৰু কুকৰ্মৰ ফল যে সদায়ে বেয়া —ভাৰতীয় আধ্যাত্মিক দৰ্শনৰ এই চিৰন্তন তত্ত্বকে ভাস্কৰ্যসমূহত শিল্পীসকলে মূৰ্ত ৰূপ প্ৰদান কৰিছে। ফলত ভাস্কৰ্যসমূহে জন-জীৱনৰ ওপৰত অভূতপূৰ্ব প্ৰভাৱ বিস্তাৰ কৰি আহিছে।

(ঘ) সমাজৰ মানসিক বিকাশ, সামাজিক চেতনা, আধ্যাত্মিক পৰিপুষ্টি আৰু ঐক্য স্থাপন কৰাত এই ভাস্কৰ্যসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এই সত্ৰীয়া ভাস্কৰ্যই ভক্তপ্ৰাণ ৰাইজক

আধ্যাত্মিক শিক্ষা আৰু আনন্দ প্ৰদান কৰাৰ লগতে সত্ৰবাসীৰ আৰ্থ-সামাজিক ভেটিও সুদৃঢ় কৰিছে।

(ঙ) বৰপেটা সত্ৰৰ সত্ৰীয়া ভাস্কৰ্যসমূহে জীৱন্ত ৰূপত বৈষ্ণৱ ধৰ্মৰ মূল বাণীক জনসাধাৰণৰ মাজত প্ৰচাৰ কৰি আহিছে। ভাস্কৰ্যসমূহৰ প্ৰতিটো চৰিত্ৰৰ ঘনত্ব, দূৰত্ব আৰু আকৃতি অতি নান্দনিক। শিল্পীৰ কল্পনা শক্তি, নিপুণতা, ধৰ্মীয় প্ৰজ্ঞা এইবোৰৰ মাজেৰে নিখুঁত ৰূপত প্ৰকাশিত হৈছে।

(চ) অসমৰ বিভিন্ন ঠাইৰ উপৰিও দেশী-বিদেশী বহু পৰ্যটক বৰপেটা সত্ৰলৈ সঘনে আগমণ হোৱা দেখা যায়। ইয়াৰ ফলত সত্ৰখনৰ লগতে ইয়াৰ চৌপাশৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ বিশেষভাৱে লাভান্বিত হৈছে। বিশেষকৈ বৰপেটা সত্ৰৰ চৌপাশে অৱস্থিত সত্ৰীয়া শিল্প-নিৰ্মাণৰ প্ৰতিষ্ঠান আৰু বিপণন-কেন্দ্ৰসমূহৰ পৰা অসমৰ লগতে দেশ-বিদেশৰ ভক্ত আৰু পৰ্যটকসকলে বিবিধ সত্ৰীয়া শিল্পবস্তু, যেনে ঃ গুৰু-আসন, মাটিৰ চাকি, গছা আদি ক্ৰয় কৰে। বৰপেটাৰ গুৰু-আসন শিল্প অসমৰ লগতে ভাৰতৰ অন্য প্ৰান্তৰলৈও ৰপ্তানি কৰা হয়। সত্ৰীয়া লোকশিল্পৰ ক্ষেত্ৰত দেখা পোৱা এনে স্থিতিয়ে এইবোৰৰ প্ৰচাৰ-প্ৰসাৰত ভূমিকা গ্ৰহণ কৰাৰ লগতে অৰ্থনৈতিক দিশতো লোকশিল্পীসকলক সহায় কৰিছে।

(ছ) বৰপেটাৰ আতচ্‌বাজী শিল্পবিধৰ এক সুদীৰ্ঘ ইতিহাস আছে আৰু পৰম্পৰাগতভাৱে চলি অহা তথা সত্ৰীয়া পৃষ্ঠপোষকতা লাভ কৰা এই শিল্পবিধ সম্প্ৰতি অসমীয়া সংস্কৃতিৰ এক এৰাব নোৱৰা লোকশিল্পলৈ পৰ্যবসিত হৈছে।

(জ) বৰপেটাত ঐতিহাসিক কালৰ পৰা বিশেষ কেইটিমান পৰিয়ালে আতচ্‌বাজী শিল্পবিধৰ লগত সক্ৰিয়ভাৱে জড়িত হৈ ইয়াৰ প্ৰচাৰ-প্ৰসাৰ আৰু সংৰক্ষণৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। সম্প্ৰতি মুঠ পাঁচোটা পৰিয়াল এই শিল্পবিধৰ লগত প্ৰত্যক্ষভাৱে জড়িত হৈ আছে।

(ঝ) বৰপেটা সত্ৰৰ বিভিন্ন উৎসৱ-অনুষ্ঠান, বিশেষকৈ দৌলোৎসৱ আৰু ৰাস উৎসৱত আতচ্‌বাজীৰ বিশেষ খেলা প্ৰদৰ্শন কৰা হয়। পৰম্পৰাগতভাৱে কৰা এই প্ৰদৰ্শন সম্প্ৰতি বৰপেটা সত্ৰকেন্দ্ৰিক উৎসৱসমূহৰ এক পৰম্পৰাগত আনন্দ তথা লোক-মনোৰঞ্জন। তদুপৰি বৰপেটাৰ বিবাহ অনুষ্ঠানসমূহতো আতচ্‌বাজী প্ৰদৰ্শন এক পৰম্পৰালৈ ৰূপান্তৰিত হৈছে।

(ঞ) বৰপেটাৰ আতচ্‌বাজী শিল্পত বিবিধ শিল্পজাত সামগ্ৰী তৈয়াৰ কৰা হয়। এই ক্ষেত্ৰত বিভিন্ন প্ৰকাৰৰ বম, ম'তা, ফুলজাৰি, ফানুছ আদি উল্লেখযোগ্য। এইবোৰ নিৰ্মাণৰ ক্ষেত্ৰত বিভিন্ন কেঁচা-সামগ্ৰী ব্যৱহাৰ কৰা হয়। সম্পূৰ্ণ প্ৰাকৃতিক পদ্ধতিৰে এইবোৰ নিৰ্মিত হোৱাৰ বাবে ইয়াত উৎপাদিত সামগ্ৰীৰ পৰিমাণ সীমিত হোৱাৰ লগতে যথেষ্ট অৰ্থ আৰু সময়ৰো প্ৰয়োজন হয়। এনে পৰিপ্ৰেক্ষিতত শিল্পবিধৰ লগত জড়িত উদ্যোগটোৱে আশা কৰা ধৰণে অসমৰ আতচ্‌বাজীৰ সকলো বজাৰ দখল

কৰিবলৈ সক্ষম হোৱা নাই। বৰঞ্চ বহিৰাগত আতচ্‌বাজীয়ে বৰপেটাৰ এই শিল্পটোৰ অস্তিত্বৰ প্ৰতি ভাবুকিহে কঢ়িয়াই আনিছে।

(ট) লোকশিল্পই এটা জাতিৰ বস্তুগত শৈল্পিক সৌন্দৰ্যক প্ৰতিফলিত কৰে। সম্প্ৰতি বিজ্ঞান-প্ৰযুক্তিনিৰ্ভৰ এই যুগত বৰপেটাৰ আতচ্‌বাজী শিল্পবিধক ভৱিষ্যৎ প্ৰজন্মৰ বাবে অক্ষতভাৱে জীয়াই ৰখা তথা ইয়াৰ প্ৰচাৰ-প্ৰসাৰ আৰু সংৰক্ষণ নিতান্তই প্ৰাসংগিক আৰু গুৰুত্বপূৰ্ণ বিষয়। এই ক্ষেত্ৰত বৰপেটাবাসীৰ লগতে সংশ্লিষ্টসকলৰ বিশেষ দায়িত্ব আৰু কৰ্তব্য জড়িত হৈ আছে।

**৬.১.২ ধাতুকেন্দ্ৰিক লোকশিল্প সম্পৰ্কীয় ঃ**

(ক) ধাতুকেন্দ্ৰিক লোকশিল্পৰ ক্ষেত্ৰত ঐতিহাসিক কালৰ পৰাই বৰপেটা জিলাই বিশেষ স্বকীয়তা প্ৰদৰ্শন কৰি আহিছে। বৰপেটাৰ সৰ্থেবাৰী অঞ্চল কাঁহ-পিতল শিল্পৰ বাবে অসম প্ৰসিদ্ধ। এই অঞ্চলত পুৰুষানুক্ৰমে শিল্পটোৰ সৈতে বহু শিল্পী জড়িত হৈ আছে। সেইদৰে অসমৰ অন্য ঠাইৰ দৰে বৰপেটা জিলাৰ কমাৰসকলেও শিল্প নিৰ্মাণৰ ক্ষেত্ৰত বিশেষ দক্ষতা প্ৰদৰ্শন কৰি আহিছে। নিত্য ব্যৱহাৰ্য বিবিধ সা-সঁজুলি নিৰ্মাণ কৰি তেওঁলোকে মানুহৰ চাহিদা পূৰণ কৰি আহিছে। সোণ-ৰূপ-তামৰ অলংকাৰ তথা অন্যান্য শিল্প-সামগ্ৰী নিৰ্মাণৰ ক্ষেত্ৰতো বৰপেটা জিলাৰ বিশেষ নাম আছে।

(খ) কাঁহ-শিল্পৰ ঐতিহ্য বিচাৰৰ ক্ষেত্ৰত দেখা যায় যে মধ্যযুগত এই শিল্পই বিশেষ প্ৰসিদ্ধি লাভ কৰিছিল। বিশেষকৈ আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাত আৰু শঙ্কৰী সংস্কৃতিৰ অন্তৰ্গতভাৱে কাঁহৰ বিবিধ বাচন-বৰ্তন, যেনে ঃ মাইহাং (মায়ংকাঁহী), বানকাঁহী, পাণ বটা, তামুলীবটা, টেমাবটা, পিকদানী, ভোগজৰা, হাতীখুজীয়া বাটি, বানবাটি, জাঁত কাঁহী, ঝাৰী লোটা, ডগ্‌ডগী লোটা আদি আৰু বাদ্যযন্ত্ৰৰ ভিতৰত কাঁহৰ বিভিন্ন আকাৰৰ তালসমূহে বিশেষ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল।

(গ) সৰ্থেবাৰীৰ কাঁহ-শিল্পৰ বিকাশত অনেকজন শিল্পীৰ জীৱন জোৰা সাধনা, কষ্ট আৰু ত্যাগ নিহিত হৈ আছে। বৃটিছৰ সময়ত এই শিল্পৰ ওপৰত লগোৱা উচ্চ হাৰৰ খাজনাৰ পৰা শিল্পটোক বচোৱাৰ স্বাৰ্থতে এগৰাকী শিল্পীয়ে কাৰাবাসো খাটিব লগা হৈছিল। সেই শিল্পীজন হৈছে পুষ্পৰাম কঁহাৰ। জেইলত থকাৰ সময়তে তেওঁৰ দ্বাৰা নিৰ্মিত বিশেষ শৈলীৰ কাঁহী-বাটিক আজিও 'জেইল কাঁহী-বাটি' নামেৰে বিশেষভাৱে পৰিচিত।

(ঘ) এটা নিৰ্দিষ্ট পদ্ধতিৰ সহায়ত কঁহাৰসকলে কাঁহ শিল্পজাত ভিন্ন সামগ্ৰী নিৰ্মাণ কৰে। কাঁহৰ শিল্পবস্তুবোৰ গঢ়াৰ ক্ষেত্ৰত প্ৰায় একেই পদ্ধতি অৱলম্বন কৰা হয় যদিও নিৰ্দিষ্ট গঢ় প্ৰদান কৰাৰ ক্ষেত্ৰত পাত্ৰভেদে বেলেগ বেলেগ সাঁচ ব্যৱহাৰ কৰা হয়। সেইদৰে পচাং তাল গঢ়োঁতে শব্দ নোলোৱালৈকে বাৰে বাৰে পৰীক্ষা কৰি চাব লগা হয়। বটা তৈয়াৰ কৰোঁতেও ওপৰৰ 'ডাইলা'

আৰু তলৰ ‘পত্ৰৰা’ অংশকেইটা সুকীয়া সুকীয়াকৈ তৈয়াৰ কৰি পিছত তামৰ শলাৰ সহায়ত যোৰা দিব লগা হয়।

(ঙ) সৰ্থেবাৰীৰ কাঁহ-শিল্পৰ জৰিয়তে বিভিন্ন শিল্পবস্তু তৈয়াৰ কৰা হয়। সেইবোৰৰ ভিতৰত—কাঁহী, বাটি, লোটা, কলহ, টেকেলি, ঘটী, গাগৰি, বটা, চৰিয়া, শৰাই, থাল, তাল আদি উল্লেখযোগ্য। শিল্পবস্তু অনুসৰি এইবোৰৰো আকৌ একাধিক প্ৰকাৰ আছে।

(চ) অসম তথা সৰ্থেবাৰীৰ কাঁহ-শিল্পৰ প্ৰচাৰ-প্ৰসাৰ আৰু উত্তৰণত ‘অসম কঁহাৰ সংঘ’ৰ ভূমিকা লক্ষ্যণীয়। কাঁহ-শিল্পৰ উদ্ধাৰ আৰু কাঁহ-শিল্পীসকলক ন্যায্য অধিকাৰ প্ৰদানৰ উদ্দেশ্যে গঠন হোৱা এই সংঘই শিল্প নিৰ্মাণৰ বাবে প্ৰয়োজনীয় ভঙা কাঁহ, এঙাৰ আদি সুলভ মূল্যত যোগান ধৰা, উৎপাদিত শিল্পবস্তুবোৰ উপযুক্ত মূল্যৰ বিনিময়ত ক্ৰয় কৰি বিক্ৰী কৰা, অংশীদাৰসকলক লাভাংশ সমানে বিতৰণ কৰা, শিল্পীসকলক মজুৰী প্ৰদান কৰা আদি কামবোৰ সমাপন কৰে। তদুপৰি এই শিল্পৰ লগত জড়িত শিল্পী বা শিল্পীৰ পৰিয়াললৈ জৰুৰীকালীন কেতবোৰ সেৱাও সংঘই প্ৰদান কৰি আহিছে। এই সংঘৰ ১৬টা কাৰ্যালয় অসমৰ বিভিন্ন জিলাত আছে। সেইবোৰত এশৰ ওচৰা-উচৰি লোকে কৰ্ম-সংস্থাপন লাভ কৰিবলৈ সক্ষম হৈছে।

(ছ) কাঁহ-শিল্পই অৰ্থনৈতিক তথা স্বনিয়োজনৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আছে। শিল্পটোৰ বাবে প্ৰয়োজনীয় বিবিধ কেঁচা-সামগ্ৰী, যেনে ঃ ভঙা কাঁহ, এঙাৰ, কাঠ আদি যোগান ধৰাৰ পৰা আৰম্ভ কৰি এই শিল্পৰ লগত জড়িত শিল্পীসকল, বিক্ৰীৰ লগত জড়িত ব্যৱসায়ীসকল, অসম কঁহাৰ সংঘৰ লগত জড়িত হৈ থকা অংশীদাৰসকল তথা ইয়াৰ কাৰ্যালয়সমূহত নিয়োজিত হৈ থকা কৰ্মীসকললৈকে এক বৃহৎ সংখ্যক লোকে নিয়োজনৰ এক বৃহৎ ক্ষেত্ৰ এই শিল্পটোৱে যোগান ধৰিছে। তদুপৰি শিল্পবস্তুবোৰৰ চাহিদা অনুসৰি ইয়াৰ পৰিসৰ দিনে দিনে প্ৰসাৰিত হোৱাহে পৰিলক্ষিত হৈছে।

(জ) অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ উপৰিও বৰপেটাৰ সমাজ-সংস্কৃতিৰ বিভিন্ন দিশ, যেনে ঃ মৌখিক লোকবিদ্যা, লোকাচাৰ, লোকবিশ্বাস, পৰিৱেশ্য কলা আদিৰ সৈতে কাঁহৰ শিল্পবস্তুৰ নিবিড় সম্পৰ্ক বিদ্যমান। আধ্যাত্মিক ক্ষেত্ৰখনতো কাঁহৰ শিল্পবস্তুৰ গুৰুত্ব আছে।

(ঝ) সৰ্থেবাৰীৰ কাঁহ-শিল্পই অসমৰ লগতে ভাৰতৰো কাঁহ-শিল্পবস্তুৰ চাহিদা পূৰণ কৰিবলৈ সক্ষম হৈছে। বিশ্বায়নৰ প্ৰভাৱত বহিৰাগত সামগ্ৰীৰ বজাৰ দখল, কেঁচামালৰ অভাৱ, কেঁচামালৰ বৰ্ধিত মূল্য, অসাধু ব্যৱসায়ীৰ সস্তীয়া নকল সামগ্ৰীৰ পয়োভৰ, উন্নত প্ৰশিক্ষণ আৰু সা-সঁজুলিৰ অভাৱ, মূলধনৰ নাটনি, গঢ়শালৰ দুৰ্বল আন্তঃগাঁথনি, সাংগঠনিক দুৰ্বলতা আদি অনেক সমস্যা এই শিল্পৰ সৈতে জড়িত হৈ আছে। এই ক্ষেত্ৰত চৰকাৰী পৃষ্ঠপোষকতাত উন্নত সা-সঁজুলিৰ সুবিধা আৰু

প্ৰশিক্ষণ প্ৰদান, কেঁচামালৰ উৎপাদন বৃদ্ধি, বিজ্ঞাপন প্ৰচাৰ, পৰ্যাপ্ত বিক্ৰী কেন্দ্ৰ স্থাপন আদি দিশসমূহত গুৰুত্ব আৰোপ কৰাৰ প্ৰয়োজনীয়তা আছে।

(ঞ) প্ৰাচীন কালৰ পৰাই প্ৰচলিত এটা ধাতু হিচাপে পিতলৰ সমাদৰ আজি পৰ্যন্ত অটুট আছে। চৰ্যাপদ আৰু অসমৰ বুৰঞ্জীৰ পাততো পিতল শিল্পজাত সামগ্ৰীৰ উল্লেখ তথা ব্যৱহাৰৰ প্ৰসংগ পোৱা যায়। শংকৰী যুগতো আধ্যাত্মিক ক্ষেত্ৰৰ লগত জড়িতভাৱে পিতলৰ শিল্পবস্তুৰ প্ৰচলন লক্ষ্য কৰিবলগীয়া। বৰ্তমান বৰপেটাৰ সৰ্থেবাৰী আৰু সৰুক্ষেত্ৰী, বনিয়াকুছি, হালধিবাৰী, লচিমা, নসত্ৰ, বুদৰুৰটুপ আদি বিভিন্ন ঠাইত এই শিল্পৰ ব্যাপক প্ৰচলন আছে।

(ট) নিৰ্দিষ্ট এক পদ্ধতি তথা বিশেষ কেতবোৰ সঁজুলিৰ সহায়ত পিতলৰ শিল্পবস্তুসমূহ গঢ়া হয়। এই ক্ষেত্ৰত শিল্পীসকলে শিল্পবস্তু এটা পূৰ্ণ ৰূপ দিবলৈ একাধিক স্তৰ অতিক্ৰম কৰিবলগীয়া হয়। দেখা যায় যে পিতল জুইত গৰম কৰি নিয়াৰিত হাতুৰীৰে পিটি পিটি শিল্পীসকলে টৌ, চৰিয়া, শৰাই, কলহ আদি শিল্পবস্তুবোৰ তৈয়াৰ কৰে।

(ঠ) পিতল শিল্পজাত সামগ্ৰীৰ নিৰ্মাণ তথা এই শিল্পৰ বিকাশত বিভিন্নজন শিল্পী আৰু সমাজ-সেৱকৰ অৰিহণা মন কৰিবলগীয়া। এই শিল্পীসকলৰ দ্বাৰা নিৰ্মিত সামগ্ৰী ভাৰতৰ লগতে বিদেশলৈও ৰপ্তানি হয়। বিশেষ কেতবোৰ শিল্পবস্তুৰ নিৰ্মাণেৰে শিল্পীসকলে সুখ্যাতি অৰ্জন কৰাৰ লগতে পুৰস্কৃতও হৈছে। বৰ্তমান প্ৰায় অৰ্ধ শতাধিক পিতলশাল থকা বৰপেটা জিলাত বহু সংখ্যক শিল্পী এই শিল্পৰ সৈতে জড়িত হৈ স্বনিয়োজনৰ পথ মোকলাইছে।

(ড) বৰপেটাৰ লগতে অসমৰ লোক-সংস্কৃতিত পিতল শিল্পজাত সামগ্ৰীৰ বিশেষ গুৰুত্ব আছে। এই শিল্পবস্তুবোৰ দৈনন্দিন জন-জীৱনত তথা বিভিন্ন সামাজিক আৰু ধৰ্মীয় লোকাচাৰৰ সৈতে সম্পৃক্ত হৈ আছে। এনে কাৰণতে বৰপেটা তথা অসমৰ লোকসাহিত্যত এই শিল্পবস্তুবোৰৰ উল্লেখ পোৱা যায়।

(ঢ) বৰপেটাৰ লগতে অসমীয়া জনজীৱনত পিতলৰ শিল্পবস্তুৰ গুৰুত্ব অক্ষুণ্ণ আছে যদিও মানুহৰ জীৱন-শৈলীলৈ অহা পৰিৱৰ্তনৰ ফলত কিছুমান শিল্পবস্তু, যেনে ঃ লোটা, চৰিয়া, পিতলৰ হেঁতা, থাল আদিৰ চাহিদা ক্ৰমে কমি আহিছে। তদুপৰি মেচিনত নিৰ্মিত সস্তীয়া বিকল্প কেতবোৰ বস্তুৰে বজাৰ দখল কৰাত এই শিল্পলৈ ভাবুকি নামি আহিছে। কেঁচামালৰ অভাৱ আৰু ইয়াৰ বৰ্ধিত মূল্য অনুসৰি হোৱা শিল্পবস্তুৰ মূল্যবৃদ্ধিৰ ফলত ইয়াৰ চাহিদা সন্তোষজনক বুলি ক'ব নোৱাৰি। ভৱিষ্যতৰ বাবে এই শিল্পটো অক্ষতভাৱে জীয়াই ৰখাৰ স্বাৰ্থত সুপৰিকল্পিত আঁচনিৰ প্ৰয়োজন আছে।

(ণ) প্ৰধানকৈ অস্ত্ৰ-শস্ত্ৰ তৈয়াৰ কৰিবৰ বাবে ব্যৱহৃত লো-শিল্পৰ প্ৰচলন অতি প্ৰাচীন। প্ৰাগৈতিহাসিক অসমৰ বিভিন্ন মঠ-মন্দিৰ, অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণত লোৰ ব্যৱহাৰৰ প্ৰমাণ পোৱা গৈছে। চৰ্যাপদ আৰু

প্ৰাক্-শংকৰী যুগৰ সাহিত্যতো লো-শিল্পবস্তুৰ উল্লেখ আছে। আহোমসকলৰ শাসনকালতো লোৰে বিভিন্ন বৰটোপ, হেংদান, তৰোৱাল, যুদ্ধত পিন্ধা বৰ্ম আদি তৈয়াৰ কৰি লৈছিল। সম্প্ৰতি বৰপেটাৰ সত্ৰকেন্দ্ৰিক লোকশিল্পীসকলৰ লগতে অসমৰ কমাৰসকলে এই শিল্পৰ ধাৰক আৰু বাহক হিচাপে ভূমিকা গ্ৰহণ কৰি আছে।

(ত) এসময়ত লো-শিল্পৰ ক্ষেত্ৰত বৰপেটাৰ এক বিশেষ প্ৰসিদ্ধি আছিল। স্বকীয় কেতবোৰ শিল্পবস্তু নিৰ্মাণেৰে শিল্পীসকলে নিজৰ পৰিচয় দাঙি ধৰিছিল। সম্প্ৰতি বৰপেটাৰ বিভিন্ন অঞ্চলত অৱস্থিত কমাৰ শালসমূহৰ উপৰিও বৃন্দাবনহাটীত বিশেষ কেতবোৰ শিল্পবস্তু, যেনে ঃ গছা, মন্দিৰৰ কলচী, চাকি, কটাৰী, দা, কুঠাৰ, কোৰ, চিপৰাং, পঁচা আদি নিৰ্মাণ কৰা তিনিখনমান প্ৰতিষ্ঠান আছে।

(থ) বৰপেটা তথা অসমৰ লোক-সমাজৰ বিভিন্ন দিশ, যেনে ঃ কৃষি, ৰন্ধন প্ৰকৰণ, গৃহ-নিৰ্মাণ, লোকবিশ্বাস, ধৰ্মীয় আৰু সামাজিক আচাৰ-ৰীতি আদিৰ লগত লো-শিল্পজাত সামগ্ৰীৰ গুৰুত্ব আৰু সম্পৰ্ক বিদ্যমান। সম্প্ৰতি মানুহৰ জীৱন-যাত্ৰালৈ অহা পৰিৱৰ্তনৰ ফলত কৃষিজাত তথা ৰন্ধন প্ৰকৰণৰ লগত জড়িত বহু শিল্পবস্তুৰ ব্যৱহাৰ সীমিত হৈ আহিছে। মেচিনত নিৰ্মিত বিকল্প সামগ্ৰীয়ে বজাৰ দখল কৰিছে। শিল্প এটা জীয়াই থকাৰ ক্ষেত্ৰত ইয়াত উৎপাদিত শিল্পবস্তুৰ চাহিদা আৰু সেই অনুসৰি শিল্পীসকলৰ উপাৰ্জন সম্প্ৰতি বৰ সন্তোষজনক নহয়। ফলত লো-শিল্পৰ পৰিসৰ লাহে লাহে সংকুচিত হৈ আহিছে।

(দ) বৰপেটাৰ থলুৱা আ-অলংকাৰ গঢ়া লোকশিল্পই সামাজিক, সাংস্কৃতিক জীৱনক যথেষ্ট প্ৰভাৱিত কৰি আহিছে যদিও বৰ্তমান ই প্ৰত্যাহ্বানৰো সন্মুখীন হৈছে। স্বাধীনতাৰ পিছত ১৯৬৩ চনৰ ৯ জানুৱাৰীত ভাৰত চৰকাৰৰ স্বৰ্ণ নিয়ন্ত্ৰণ আইন (The Gold Control Act, 9th January 1963)খনে স্বৰ্ণ নিৰ্মাতা শিল্পীসকলৰ ওপৰত প্ৰভাৱ পেলায়। সোণৰ বেচা-কিনা, ৰক্ষণাৱেক্ষণ আদিৰ ক্ষেত্ৰত বাধা নিষেধ অহাৰ ফলত বহু বৰপেটীয়া স্বৰ্ণ শিল্পীয়ে বৃত্তি এৰিবলগীয়া হ'ল।

(ধ) মুক্ত বাণিজ্য আৰু অৰ্থনীতিৰ প্ৰভাৱত কম সময়তে মেচিনত তৈয়াৰী অলংকাৰবোৰে থলুৱা শিল্পীসকলক বাৰুকৈয়ে জুৰুলা কৰিছে। বজাৰত উপলব্ধ নানা 'ব্ৰেণ্ড'ৰ চমক লগা অলংকাৰবোৰৰ তুলনাত থলুৱা অলংকাৰবোৰৰ চাহিদা কম যদিও থলুৱা আ-অলংকাৰবোৰ পুনৰ ন ৰূপত বজাৰত উপলব্ধ হোৱা দেখা গৈছে। ফলত সেইবোৰৰ প্ৰতিও গ্ৰাহকৰ আকৰ্ষণ বাঢ়িছে। বৰপেটাৰ থলুৱা অসমীয়া লোকশিল্পীয়ে তৈয়াৰ কৰা থোকাসোণ, কেঁচেলুৰীয়া হাৰ আদিৰ সমাদৰ অসমৰ আন আন ঠাইতো আছে। বৰ্তমান বৰপেটাৰ বৃন্দাবনহাটী, নহাটী, ঘোঁৰামাৰাহাটী আদি ঠাইৰ প্ৰায় ৩০টামান পৰিয়ালে শিল্পবিধ জীয়াই ৰাখিবলৈ চেষ্টা চলাই আছে।

(ন) বৰপেটাৰ পৰ্যটনৰ ক্ষেত্ৰখনতো আ-অলংকাৰ শিল্পবিধৰ ভূমিকা মন কৰিবলগীয়া। এইবোৰত

সন্নিহিত সুকীয়া মৰ্যাদা আৰু সৌন্দৰ্যৰ বাবেই অসমৰ বিভিন্ন স্থানৰ লোকসকলে এই অলংকাৰবোৰ বিচাৰি ইয়ালৈ অহা পৰিলক্ষিত হৈছে। সম্প্ৰতি এই লোকশিল্পবিধৰ সংৰক্ষণ আৰু শিল্পীসকলক চৰকাৰে আৰ্থিক সকাহ প্ৰদান কৰিলেহে ভৱিষ্যতলৈ শিল্পবিধ তিষ্ঠি থাকিব পাৰিব।

**৬.১.৩ প্ৰাকৃতিক সমলেৰে নিৰ্মিত লোকশিল্প সম্পৰ্কীয় ঃ**

(ক) বৰপেটা জিলাত প্ৰাকৃতিক সমলেৰে নিৰ্মিত বিবিধ লোকশিল্পৰ চৰ্চা আৰু ব্যৱহাৰ এই পৰ্যন্ত অব্যাহত আছে। তাৰ ভিতৰত মৃৎ শিল্প, বাঁহ-বেত শিল্প, কাঠ-শিল্প, বয়ন শিল্প আদি লোকশিল্পসমূহৰ নাম বিশেষ উল্লেখযোগ্য। ঐতিহাসিক কালৰ পৰা এই অঞ্চল হাতীদাঁতৰ শিল্পবস্তু নিৰ্মাণৰ বাবে বিশেষভাৱে প্ৰসিদ্ধ আছিল যদিও এই শিল্পৰ অস্তিত্ব সম্প্ৰতি নাইকিয়া হৈ আহিছে।

(খ) ভাৰতবৰ্ষৰ লগতে অসমৰ অৰণ্যত হাতী পৰ্যাপ্ত পৰিমাণে পোৱাৰ বাবে দিল্লী, অমৃতচৰ, বাৰানসী, জয়পুৰ, ত্ৰিবান্দম আদি ঠাইসমূহৰ দৰে অসমতো এই শিল্পৰ চৰ্চাই গা কৰি উঠিছিল। বিভিন্ন প্ৰাচীন গ্ৰন্থ, যেনে ঃ মহাভাৰত, শংকৰদেৱৰ 'দশম', বাণভট্টৰ 'হৰ্ষচৰিত', সুকুমাৰ বৰকাথৰ 'হস্তিবিদ্যাৰ্ণৱ পুথি' আদিত হাতী সম্পৰ্কীয় বিভিন্ন কথা আৰু ইয়াৰ দাঁতেৰে নিৰ্মিত শিল্প-সামগ্ৰীৰ উল্লেখৰ পৰা এই শিল্প যে ঐতিহাসিক কালতে অসমত গঢ় লৈ উঠিছিল, সেই কথাৰ প্ৰমাণ দিয়ে।

(গ) Mr. I. Donald, হিতেশ্বৰ বৰবৰুৱা আদি পণ্ডিতসকলে কৰা উল্লেখৰ পৰা জানিব পাৰি যে আহোমসকলৰ শাসন কালত এই শিল্প বাধ্যতামূলকভাৱে চলি আছিল যদিও পৰৱৰ্তী বৃটিছৰ শাসন কালত প্ৰশাসনীয় বিভিন্ন নীতি-নিৰ্দেশনাৰ ফলত হাতীদাঁত পাবলৈ নাইকিয়া হৈ আহিল আৰু এই শিল্প লাহে লাহে সংকুচিত হৈ আহি অসমৰ কেৱল বৰপেটা অঞ্চলতহে কোনো মতে জীয়াই থাকিবলৈ সক্ষম হয়। অৱশ্যে বৰপেটাৰ শিল্পীসকলেও এই শিল্পৰ জৰিয়তে জীৱন-নিৰ্বাহৰ পৰ্যাপ্ত সুবিধা অৰ্জন কৰিব নোৱাৰি অন্য ক্ষেত্ৰৰ সৈতে জড়িত হৈ পৰিল। শিল্পীসকলৰ পৰৱৰ্তী প্ৰজন্মইও এই শিল্পৰ মাজত ভৱিষ্যতৰ কোনো সম্ভাৱনা নেদেখি ইয়াৰ চৰ্চাৰ পৰা আঁতৰি ৰ'ল। এনেবোৰ কাৰণতে হাতীদাঁত-শিল্পই আজি মৃত্যুৰ ক্ষণ গণিব লগা অৱস্থা এটাত উপনীত হৈছেহি।

(ঘ) অসমৰ পৰিপ্ৰেক্ষিতত হাতীদাঁত শিল্পৰ লগত জড়িত শিল্পীসকলৰ বিষয়ে ইতিহাস নিমাত যদিও আহোম শাসন কালৰ দুজন খনিকৰৰ নাম জনা যায়। তেওঁলোক হৈছে — ফিজনুৰ মুছলমান আৰু বাহাদুৰ গাঁওবুঢ়া। এওঁলোকৰ পূৰ্বৱৰ্তী কোনো হাতীদাঁত শিল্পী বিষয়ক তথ্য বৰ্তমানলৈকে উদ্ধাৰ হোৱা নাই। প্ৰথমজন শিল্পীয়ে কেনেধৰণৰ শিল্পবস্তু তৈয়াৰ কৰিছিল, তাৰ তথ্যও পাবলৈ নাই। অৱশ্যে দ্বিতীয়জনে হাতীদাঁতৰ ফণী, টেমা, সঁফুৰা, বিচনী, হাতীদাঁতৰ পাটী আদি তৈয়াৰ কৰাৰ লগতে তেওঁ পুৰন্দৰ সিংহৰ দিনত গাঁওবুঢ়াৰ দায়িত্বও পালন কৰিছিল বুলি বিভিন্ন তথ্যৰ পৰা জানিব পৰা গৈছে।

(ঙ) ঐতিহাসিক কালৰ পৰাই বৰপেটাত হাতীদাঁত শিল্পৰ চৰ্চা চলি আহিছে বুলি অনুমান কৰা হয় যদিও উপযুক্ত প্ৰমাণ নথকাৰ বাবে ঊনৈশ শতিকাৰ আদি ভাগৰ আত্মাৰাম শৰ্মা নামৰ ব্যক্তিজনকে বৰপেটাৰ হাতীদাঁত শিল্পৰ ইতিহাসত প্ৰথমজন শিল্পী হিচাপে অভিহিত কৰা হয়। তেওঁ সুশংখলিত ৰূপত সত্ৰীয়া মৰ্যাদাৰে এই শিল্পক উত্তৰ পুৰুষৰ বাবে প্ৰবাহিত কৰি নিয়াৰ লগতে শিল্পটোক জনমানসত তুলি ধৰিবলৈ অশেষ প্ৰচেষ্টা কৰিছিল। এওঁৰ পৰৱৰ্তী এই শিল্পৰ লগত জড়িত উল্লেখযোগ্য শিল্পীসকল হ'ল — ৰাধাকান্ত দাস, জগন্নাথ দাস, ভগৱান দাস, নৰহৰি দাস, কৰুণাকান্ত দাস, মনমোহন পাঠক, শৈলেন্দ্ৰনাথ দাস, কমল চন্দ্ৰ বায়ন আৰু অনিল কুমাৰ দাস। এইসকল শিল্পীৰ উপৰিও ডম্বৰু পাঠক, ভূপেন দাস, জয় পাঠক, টিকিন দাস, অনিল দাস, লক্ষ্মীকান্ত দাস, অমৰ দাস, অবিনাশ দাস, অজিৎ দাস, প্ৰমোদ দাস, চিত্তৰঞ্জন দাস, ব্ৰজেন দাস, ৰোহিনী দাস, বদন দাস, বামদেৱ মিশ্ৰ, কমলচন্দ্ৰ বায়ন আদিসকলেও হাতীদাঁত শিল্পৰ বিকাশ আৰু পৰিপুষ্টিত অৱদান আগবঢ়াই গৈছে।

(চ) বৰপেটাত মুঠতে চাৰিখন হাতীদাঁতৰ শিল্পবস্তু নিৰ্মাণৰ প্ৰতিষ্ঠান আছিল। সেই প্ৰতিষ্ঠান কেইখন হৈছে ক্ৰমে — 'ৰাধানাথ দাস আইভৰী হাউচ' (প্ৰতিষ্ঠাতা ঃ জগন্নাথ দাস), 'আসাম আইভৰী ৱৰ্ক্চ' (প্ৰতিষ্ঠাতা ঃ ভগৱান দাস), 'বৰপেটা আইভৰী ৱৰ্কচ' (প্ৰতিষ্ঠাতা ঃ কৰুণাকান্ত দাস), 'নিউ আইভৰী ৱৰ্কচ' (প্ৰতিষ্ঠাতা ঃ নৰহৰি দাস) 'নিৰুপমা আইভৰী ৱৰ্ক্চ' (প্ৰতিষ্ঠাতা ঃ মনমোহন পাঠক) আৰু 'ভগৱতী আইভৰী এণ্ড উড্ কাৰ্ভিং ৱৰ্ক্চ' (প্ৰতিষ্ঠাতা ঃ টিকেন্দ্ৰজিৎ বায়ন)। আটাইকেইখন প্ৰতিষ্ঠানে এসময়ত ইয়াৰ শৈল্পিক সামগ্ৰীসমূহৰ জৰিয়তে বিশেষ খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছিল। কিন্তু বৰ্তমান আটাইকেইখন প্ৰতিষ্ঠান বন্ধ হৈছে। উত্তৰসূৰী কোনো শিল্পী এই শিল্পৰ লগত জড়িত হ'ব পৰাকৈ ন্যূনতম সুযোগ আৰু সম্ভাৱনা বৰ্তমান বৰপেটাত নাই। যাৰ পৰিণতিস্বৰূপে এই শিল্পবিধ এতিয়া বিলুপ্তপ্ৰায়।

(ছ) বৰ্তমান হাতীদাঁত শিল্পৰ লগত জড়িত বৰপেটাৰ একমাত্ৰ জীৱিত শিল্পীজন হৈছে টিকেন্দ্ৰজিৎ বায়ন। শিল্প-চৰ্চাৰ বাবেই তেওঁ বিভিন্ন ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ সন্মান তথা স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছিল। বৰ্তমান বাৰ্ধক্যজনিত কাৰণত এওঁ শিল্পচৰ্চা কৰিব পৰা অৱস্থাত নাই। তদুপৰি কেঁচামালৰ অভাৱতো তেওঁ উত্তৰসূৰীসকলক শিল্প নিৰ্মাণৰ প্ৰশিক্ষণ প্ৰদান কৰিবলৈ সক্ষম নহ'ল। গতিকে এই শিল্পীগৰাকীৰ লগে লগে এই শিল্পও বৰপেটাৰ পৰা চিৰদিনৰ বাবে লুপ্ত হোৱাৰ সম্ভাৱনাই প্ৰবল।

(জ) বৰপেটাৰ হাতীদাঁত শিল্পীসকলে বিভিন্ন ধৰণৰ শিল্পবস্তু নিৰ্মাণেৰে অসমৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়ত সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছিল। তেওঁলোকৰ দ্বাৰা নিৰ্মিত শিল্পবস্তুসমূহৰ ভিতৰত গুৰু-

আসন, সিংহাসন, তাজমহল, মঠ-মন্দিৰ, অলংকাৰ থোৱা বাকচ, খৰম, লাখুটি, ফণী, চুলিত মৰা কাটা আৰু ক্লিপ, টেবুল, নাও, শৰাই, সঁফুৰা, বটা, আ-অলংকাৰ, মাকো, ডবা খেলৰ গুটি, বিভিন্ন দেৱ-দেৱী, যেনে ঃ ৰাধা-কৃষ্ণ, শিৱ-পাৰ্বতী, দুৰ্গা, বিষ্ণু, বুদ্ধদেৱ, গ্ৰীক দেৱী ভেনাচ, আদিৰ মূৰ্তি, বিভিন্ন জীৱ-জন্তু, যেনে ঃ গঁড়, হাতী, ঘোঁৰা, সিংহ, বান্দৰ আদিৰ লগতে বিবিধ চৰাই-চিৰিকটি, যেনে ঃ বগলী, ময়ূৰ, পাৰ, কপৌ আদিৰ কায়াকৃতি, বুটাম, চোলাত মৰা বেজ আদি বিশেষ উল্লেখযোগ্য। এই শিল্পবস্তুবোৰ নিৰ্মাণ কৰিবলৈ বিশেষ বিশেষ সা-সঁজুলি ব্যৱহাৰ হোৱাৰ লগতে শিল্পবস্তু অনুসৰি এইবোৰৰ নিৰ্মাণৰ পদ্ধতিবোৰো সুকীয়া সুকীয়া।

(ঝ) বৰপেটাৰ হাতীদাঁত শিল্পই সংকটৰ মুখামুখি হোৱাৰ অন্তৰালত একাধিক কাৰণ জড়িত হৈ আছে। কেঁচা-সামগ্ৰীৰ অভাৱ, কেঁচামাল যোগানৰ ক্ষেত্ৰত চৰকাৰী পদক্ষেপ তথা পৃষ্ঠপোষকতাৰ অভাৱ, উন্নত প্ৰশিক্ষণ তথা প্ৰযুক্তিগত নিৰ্মাণ-কৌশলৰ অভাৱ, সীমিত শিল্পমূল্য, শিল্পসমূহ বিক্ৰীৰ বাবে উপযুক্ত বজাৰ-ব্যৱস্থাৰ অভাৱ আদি এই ক্ষেত্ৰত উল্লেখ কৰিবলগীয়া। এই সমস্যাবোৰ দূৰীকৰণৰ বাবে কেতবোৰ বিশেষ পদক্ষেপ গ্ৰহণৰ প্ৰয়োজনীতা আছে। তাৰ ভিতৰত স্থানীয় ৰাইজ তথা চৰকাৰী পৃষ্ঠপোষকতা আৰু সহযোগিতাৰ উপৰিও নিৰ্মাণ-পদ্ধতিত উন্নত প্ৰযুক্তিগত কৌশলৰ সংযোজন, সুলভ মূল্যত কেঁচা-সামগ্ৰীৰ যোগান, শিল্পবস্তুসমূহ বিক্ৰীৰ বাবে বিশেষ বজাৰৰ ব্যৱস্থা গ্ৰহণ আদি দিশবোৰৰ ওপৰত দৃষ্টিপাত কৰিব লাগিব। তদুপৰি সজাগ মনোভংগীৰে নতুন শিল্পীসকলকো শিল্পটোৰ প্ৰতি আকৰ্ষিত তথা প্ৰণোদিত কৰাৰ প্ৰয়োজনীয়তা আছে।

(ঞ) বৰপেটা জিলাৰ ভালেমান ঠাইত মৃৎশিল্পৰ লগত জড়িত কুমাৰ আৰু হীৰা সম্প্ৰদায়ৰ লোকসকলে বসবাস কৰি আছে। এই লোকসকলে অনেক কষ্টেৰে মৃৎশিল্পৰ উপযোগী মাটি সংগ্ৰহ কৰি এই শিল্পৰ চৰ্চা অব্যাহত ৰাখিছে। স্থানবিশেষে এই শিল্পীসকলে দৈনন্দিন ব্যৱহাৰ্য বিবিধ শিল্পবস্তু, যেনে ঃ কলহ, টেকেলি, চৰু, মলা (বেইৰা), খট, চাকি, ধুনাদানি, ফুলজাৰি খোল, চিলিম আদিৰ লগতে মৃন্ময় প্ৰতিমাও নিৰ্মাণ কৰি মৃৎশিল্পৰ চৰ্চা আৰু বিকাশত অৰিহণা যোগাই আহিছে।

(ট) কুমাৰ আৰু হীৰাসকলৰ মৃৎপাত্ৰ নিৰ্মাণ-পদ্ধতিৰ মাজত পাৰ্থক্য আছে। কুমাৰসকলে চাকৰ সহায়ত মৃৎপাত্ৰ তৈয়াৰ কৰাৰ বিপৰীতে হীৰাসকলে নিৰ্দিষ্ট সঁজুলিৰে কোবাই কোবাই মৃৎপাত্ৰ নিৰ্মাণ কৰে।

(ঠ) বৰপেটাৰ কুমাৰ আৰু হীৰাসকলে মৃৎশিল্পজাত বিভিন্ন পাত্ৰ তথা শিল্পবস্তু নিৰ্মাণৰ জৰিয়তে এই শিল্পৰ পৰম্পৰা ধৰি ৰাখিছে। তেওঁলোকৰ দ্বাৰা উৎপাদিত শিল্পবস্তুবোৰ দৈনন্দিন জীৱনৰ বিভিন্ন উপলক্ষ্যত ব্যৱহৃত হয়। সামাজিক আচাৰ-ৰীতি তথা ধৰ্মীয় ক্ষেত্ৰতো এইবোৰৰ প্ৰয়োগ লক্ষ্য কৰিবলগীয়া। সেইদৰে মৃণ্ময় প্ৰতিমাবোৰো ধৰ্মীয় পূজা-পাৰ্বণত বিশেষভাৱে ব্যৱহাৰ হৈ আহিছে।

(ড) বৰপেটাৰ মৃৎশিল্পীসকলে অশেষ কষ্ট স্বীকাৰ কৰি এই শিল্পবিধ জীয়াই ৰাখিছে। শিল্পবিধৰ জৰিয়তে তেওঁলোকে পৰ্যাপ্ত উপাৰ্জন লাভ নকৰাৰ পৰিপ্ৰেক্ষিতত লাহে লাহে ইয়াৰ ক্ষেত্ৰখন সংকুচিত হৈ অহাৰ লগতে এই শিল্প চৰ্চা কৰা উত্তৰসূৰী শিল্পীৰ সংখ্যাও ক্ৰমাৎ কমি আহিছে। শিল্পটোৰ ক্ষেত্ৰত জড়িত হৈ থকা সমস্যা আৰু প্ৰত্যাহ্বানবোৰ এই শিল্পৰ অস্তিত্বৰ ক্ষেত্ৰত ভাবুকিস্বৰূপ হৈ পৰিছে।

(ঢ) সম্প্ৰতি বৰপেটাৰ মৃৎশিল্প বিভিন্ন সমস্যাৰে জৰ্জৰিত। কেঁচামালৰ অভাৱ, পৰ্যাপ্ত মুনাফা লাভ কৰিব পৰাকৈ শিল্পবস্তুবোৰৰ কম চাহিদা, বিকল্প সামগ্ৰীৰ বজাৰ দখল, মৃৎশিল্পজাত শিল্পবস্তুৰ অল্প স্থায়িত্ব, নিৰ্মাণ-কৌশল আৰু শৈল্পিক সৌন্দৰ্যৰ ক্ষেত্ৰত অভিনৱত্বৰ অভাৱ, শিল্পবস্তুসমূহ বিক্ৰীৰ বাবে উপযুক্ত বজাৰ-ব্যৱস্থাৰ অভাৱ আদি সমস্যাবোৰ এই ক্ষেত্ৰত উল্লেখযোগ্য। এই সমস্যাবোৰ দূৰ কৰিবৰ বাবে যথোপযুক্ত কাৰ্যপন্থা গ্ৰহণৰ লগতে এই ক্ষেত্ৰত চৰকাৰী সহায়-সহযোগিতাৰ বিশেষ প্ৰয়োজন হৈ পৰিছে।

(ণ) বাঁহ-বেতৰ লগত বৰপেটাৰ মুখা-শিল্প সম্পৰ্কিত হৈ আছে। মুখা-শিল্পই বৰপেটাৰ শিল্পীসকলৰ শৈল্পিক মনৰ মূৰ্ত প্ৰকাশ ঘটাবলৈ সক্ষম হৈছে। পৰিৱেশ্য কলাৰ সৈতে এই মুখাসমূহ জড়িত হৈ থকাৰ লগতে আজিকালি চ'ৰাঘৰৰ সৌন্দৰ্য বৰ্ধনৰ বাবেও ইয়াক ব্যৱহাৰ কৰা পৰিলক্ষিত হয়।

(ত) অসমৰ সৰহ সংখ্যক লোক কৃষিজীৱী আৰু গ্ৰাম্য পৰিৱেশত বসবাস কৰাৰ কাৰণে অসমৰ বাঁহ শিল্পৰ ধাৰক আৰু বাহক হিচাপে গাঁৱৰ সৰল শিল্পীসকলেই ভূমিকা গ্ৰহণ কৰি আছে। সম্প্ৰতি কেৱল গ্ৰাম্য সমাজতে নহয় নগৰীয়া জীৱনতো গৃহ-সজ্জাৰ এক অন্যতম উপকৰণ হিচাপে বাঁহ তথা বাঁহৰ শিল্পজাত সামগ্ৰীৰ ব্যৱহাৰ হোৱা পৰিলক্ষিত হয়।

(থ) সম্প্ৰতি বাঁহ-বেতৰ পৰম্পৰাগত শিল্পবস্তুবোৰৰ চাহিদা তথা প্ৰয়োজনীয়তা কমি অহাৰ পৰিৱৰ্তে কেতবোৰ শিল্পৰ চাহিদা আকৌ বজাৰত বৃদ্ধি হোৱা দেখা গৈছে। বাঁহ-বেতেৰে নিৰ্মাণ কৰা আধুনিক পালেং, চোফা, ডাইনিং টেবুল, আলনা, টেবুল লাইট আৰু চিলিং লাইটৰ ফ্ৰেম, বুক চেল্‌ফ, আলমাৰি আদি আচ্‌বাববোৰ এই ক্ষেত্ৰত উল্লেখযোগ্য। এইবোৰৰ সৈতে প্ৰত্যক্ষভাৱে বাণিজ্যিক দিশটো জড়িত হৈ থকাৰ বাবে ই স্বনিয়োজনৰ উপৰিও অসমৰ অৰ্থনীতিতো ইতিবাচক প্ৰভাৱ পেলাইছে।

(দ) বৰপেটা অঞ্চলত বৃত্তিগতভাৱে বাঁহ-বেত শিল্পৰ সৈতে বিভিন্নজন ব্যক্তি তথা শিল্পী জড়িত হৈ আছে। এই শিল্পীসকলে বাঁহ-বেতৰ পৰম্পৰাগত আৰু আধুনিক — দুয়ো প্ৰকাৰৰ শিল্পবস্তু তৈয়াৰ কৰি আহিছে।

(ধ) বাঁহ-বেত শিল্পৰ অন্যান্য শিল্পবস্তুৰ লগতে বৰপেটা জিলাৰ কয়াকুছি অঞ্চল বাঁহৰ পৰা নিৰ্মিত 'ঢাৰি-নগৰী' নামেৰে খ্যাত। ইয়াৰে 'বগুৱাপাৰা' নামে জনাজাত কুহিৰা গাঁৱৰ প্ৰায় আশী-নব্বৈ শতাংশ মানুহৰ মূল জীৱিকা হৈছে ঢাৰি-শিল্প। ব্যৱসায়িকভাৱে এই শিল্পবিধে স্থানীয় বজাৰসমূহ

দখল কৰাৰ লগতে পশ্চিমবংগৰ শিলিগুৰি, অন্ধ্ৰপ্ৰদেশৰ হাইদৰাবাদ, গুজৰাট, মুম্বাই, পুণে আদি ঠাইৰ লগত ইয়াৰ ব্যৱসায়ীসকলে প্ৰত্যক্ষ যোগাযোগৰ মাজেৰে ব্যৱসায় পৰিচালনা কৰি আছে। উল্লেখযোগ্য যে কয়াকুছিৰ বৃহত্তৰ পৰিসৰৰ জনসাধাৰণক অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰি তোলাত এই শিল্পৰ ভূমিকা অপৰিসীম।

(ন) সম্প্ৰতি গ্ৰাম্য সংস্কৃতিৰ লগতে লোক-সমাজৰ জীৱন-জীৱিকালৈ পৰিৱৰ্তন আহিছে। এনে পৰিৱৰ্তনৰ ফলত অসমৰ লগতে বৰপেটাৰ বাঁহ-বেতৰ লগত জড়িত লোক-সংস্কৃতিৰ বিশাল ক্ষেত্ৰখন ক্ৰমান্বয়ে সংকুচিত হৈ আহিছে। তদুপৰি উপযুক্ত বজাৰ-মূল্য নোপোৱাৰ বাবেও উঠি অহা চামে পৰম্পৰাগত বাঁহ-বেতৰ শিল্পবস্তু নিৰ্মাণৰ প্ৰতি আগ্ৰহী নহয় বা অগ্ৰজসকলেও তেওঁলোকক আগ্ৰহী কৰি তুলিব পৰা নাই।

(প) সাম্প্ৰতিক পৰিৱৰ্তনশীল সমাজ-সংস্কৃতিৰ পৰিপ্ৰেক্ষিতত অসম তথা বৰপেটাৰ বাঁহ-বেত শিল্পৰ পৰম্পৰাগত শিল্পসমূহৰ ব্যাৱহাৰিক ক্ষেত্ৰখন সংকুচিত হৈ আহিছে যদিও আধুনিক যোগাযোগ ব্যৱস্থাসমূহক আয়ত্তাধীন কৰি লোকশিল্পীসকলে জনসমাজৰ মাজত চাহিদা থকা শিল্পবস্তুবোৰ অধিক উৎপাদন কৰি সেইবোৰৰ প্ৰচাৰ-প্ৰসাৰৰ কাম হাতত ল'লে অনলাইন মাৰ্কেটিঙৰ এখন ক্ষেত্ৰ ই গঢ়ি তুলিব পৰা সম্ভাৱনীয়তা লুকাই আছে। তদুপৰি নৱ-প্ৰজন্মকো এই শিল্পবোৰ নিৰ্মাণৰ প্ৰশিক্ষণ প্ৰদান কৰি অনাগত ভৱিষ্যতৰ বাবে এইসমূহক জীয়াই ৰখাৰ পদক্ষেপ হাতত ল'ব লাগিব। অন্যথা এই শিল্পবোৰ কালৰ গৰাহত হেৰাই যোৱাৰ সম্ভাৱনা আছে।

(ফ) দুজনা গুৰুৰ প্ৰত্যক্ষ ঐতিহ্য-বিজড়িত বৰপেটাৰ সত্ৰ-নামঘৰসমূহৰ পৃষ্ঠপোষকতাত নিৰ্মিত গুৰু-আসন, ঠগী, শৰাই, বিভিন্ন দেৱ-দেৱীৰ মূৰ্তি, সত্ৰীয়া ভাস্কৰ্য, সত্ৰৰ বেৰত কটা ৰিলিফ, মুখা আদিসমূহৰ উপৰি সত্ৰ-নামঘৰৰ খুঁটা, চ'তি , নামঘৰ-গোসাঁইঘৰৰ স্তম্ভ, দুৱাৰ আদি কাঠ-শিল্পজাত সম্পদসমূহ বৰপেটাৰ কাঠ-শিল্পৰ উজ্জ্বল চানেকি। এইবোৰত প্ৰকাশিত শিল্পীসকলৰ আধ্যাত্মিক তথা শিল্পসুলভ চেতনা একক আৰু অনন্য।

(ব) অসমৰ লগতে বৰপেটাৰ কাঠ-শিল্পৰ বাণিজ্যিকীকৰণৰ লগে লগে ইয়াৰ বৰ্ধিত চাহিদা অনুসৰি শিল্পীসকলেও শিল্পবস্তুৰ নিৰ্মাণত নতুন নতুন শৈলী আৰু প্ৰযুক্তি প্ৰয়োগ কৰি ইয়াক অধিক মসৃণ, আকৰ্ষণীয় আৰু শিল্পসন্মত ৰূপ প্ৰদান কৰিবলৈ সক্ষম হৈছে। অৱশ্যে তাৰ মাজতো অসমীয়া লোক-পৰম্পৰাৰ স্বাক্ষৰ শিল্পবস্তুসমূহত ৰক্ষিত নোহোৱাকৈ থকা নাই। বিবাহ-অনুষ্ঠানত কইনাৰ সৈতে দি পঠোৱা কাঠৰ আচ্‌বাবসমূহতে আধুনিক প্ৰযুক্তি আৰু শৈলীৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়। আনহাতে সত্ৰ-নামঘৰ বা অন্যান্য ধৰ্মীয় ক্ষেত্ৰত নিৰ্মিত, চৰ্চিত আৰু বিকশিত শিল্পসমূহত পৰম্পৰাগত ৰূপটো এতিয়াও ৰক্ষিত হৈ আছে।

(ভ) যাতায়াতৰ এক বাহন হিচাপে সকলো অঞ্চলতে নাৱৰ প্ৰচলন আছে যদিও বৰপেটাৰ এই শিল্পটোৰ বিশেষ বৈশিষ্ট্য নিহিত আছে। এই নাওবোৰৰ ভিতৰত খেল নাও বৰপেটাৰ লোকশিল্পৰ উল্লেখযোগ্য সম্পদ। বৰপেটাৰ শিল্পীয়ে ময়ূৰ পংখী খোদিত নাও সাজি উলিয়ায়। গুৰুসকলৰ তিথি আৰু অন্যান্য উপলক্ষ্যত বৰপেটাত নাওখেল প্ৰতিযোগিতা অনুষ্ঠিত হয় যদিও সেই পৰম্পৰা লাহে লাহে কমি আহিছে। নাৱৰ নিৰ্মাণৰ লগত জড়িত 'সূতৰ'সকলেও জীৱিকাৰ সংক্ৰান্তত অন্য কামত নিয়োজিত হৈছে। অৱশ্যে বৰপেটাৰ চৰ-চাপৰিত বসবাস কৰি থকা মুছলমান সম্প্ৰদায়ৰ মাজত এই শিল্পবিধৰ নিৰ্মাণ এতিয়াও চলি আছে।

(ম) বৰপেটাৰ সত্ৰীয়া পৰিৱেশত পৰম্পৰাগতভাৱে কাঠৰ গুৰু-আসন, গড়ুৰ মূৰ্তি, বিভিন্ন জীৱ-জন্তুৰ মূৰ্তি, সত্ৰ-নামঘৰত ব্যৱহৃত ফুলকটা দুৱাৰ, ফুল তথা আধ্যাত্মিক প্ৰতীকযুক্ত কাঠৰ ৰিলিফ আদি নিৰ্মাণ হৈ আহিছে। এই শিল্পবস্তুবোৰ অসমৰ বিভিন্ন ঠাইৰ মানুহে ক্ৰয় কৰে তথা নিৰ্মাণৰ বাবে নিয়মীয়াকৈ সংশ্লিষ্ট শিল্পীসকলৰ সৈতে যোগাযোগ কৰে। শিল্পীসকলে ইয়াৰ জৰিয়তে স্বাৱলম্বী জীৱন অতিবাহিত কৰাৰ এক সুযোগ আৰু পৰিৱেশ লাভ কৰি আহিছে।

(য) সময়ৰ লগে লগে মানুহৰ জীৱন-জীৱিকালৈ অহা পৰিৱৰ্তনৰ ফলত কাঠ-শিল্পজাত কেতবোৰ শিল্প-সামগ্ৰীৰ নিৰ্মাণ আৰু ব্যৱহাৰ ক্ৰমাৎ কমি আহিছে। বিশেষকৈ কাঠেৰে নিৰ্মিত পৰম্পৰাগত তাঁতশালৰ লগত জড়িত সা-সঁজুলিসমূহ, কৃষিজাত পৰম্পৰাগত সঁজুলিসমূহ ঃ নাঙল, যুঁৱলি, জবকা, ঢেঁকী, উৰাল আদিসমূহৰ কথা এই ক্ষেত্ৰত উল্লেখযোগ্য। এই শিল্প-সামগ্ৰীসমূহৰ ঠাই অধিকাৰ কৰিছে আধুনিক প্ৰযুক্তিগত আৰু সস্তীয়া কেতবোৰ সামগ্ৰীয়ে।

(ৰ) মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ তত্ত্বাৱধান আৰু নেতৃত্বত বৈ উলিওৱা 'বৃন্দাবনী বস্ত্ৰ'ৰ ঐতিহ্যৰে বিজড়িত বৰপেটাই বয়ন শিল্পৰ ক্ষেত্ৰতো বিশেষ স্বকীয়তা দাবী কৰে। বৰপেটাৰ জন-জীৱনত শিপিনীসকলে বৈ উলিওৱা কেইবিধমান কাপোৰৰ বিশেষ সাংস্কৃতিক তাৎপৰ্য আছে। সেই কাপোৰসমূহ হ'ল ঃ আনাকাটা কাপোৰ, 'ঘৰচত্‌কা' বা ঘৰ-গছকা কাপোৰ, 'আক্‌ল কাপোৰ', 'মূৰ বান্ধা কাপোৰ', 'পীৰাত পাৰা বস্ত্ৰ', 'ঢাৰিত পাৰা বস্ত্ৰ' আদি। এই বস্ত্ৰসমূহৰ লগত বৰপেটাৰ বিশেষ কেতবোৰ সামাজিক আচাৰ-ৰীতি জড়িত হৈ আছে।

(ল) সম্প্ৰতি বৰপেটাত সামগ্ৰিকভাৱে তাঁতশালৰ প্ৰচলন লাহে লাহে কমি অহা পৰিলক্ষিত হৈছে। ইয়াৰ মূল কাৰণ — যুগৰ পৰিৱৰ্তনৰ লগে লগে শিক্ষাৰ প্ৰসাৰ, উপাৰ্জনৰ অন্য বিকল্প পথৰ সন্ধান তথা নিয়োজন আদি। অৱশ্যে কিছু সংখ্যক মহিলাই শুৱালকুছিৰ বয়ন-পদ্ধতিৰে তাঁতীশালত ভিন্ন ডিজাইনৰ কাপোৰ বোৱাৰ কেতবোৰ প্ৰতিষ্ঠান নতুনকৈ গঢ়ি তুলিছে। মূলতঃ ব্যৱসায়িক উদ্দেশ্য আগত ৰাখি মুকলি কৰা এই প্ৰতিষ্ঠানসমূহে বয়ন শিল্পৰ ক্ষেত্ৰত এক আলোড়নৰ সূচনা কৰিছে বুলি ক'ব পাৰি।

(ৰ) বিশ্বায়নে এফালে পৰম্পৰাগত শিল্পসমূহলৈ যিদৰে ভাবুকি কঢ়িয়াই আনিছে, আনফালে এইবোৰৰ প্ৰচাৰ-প্ৰসাৰৰ সুযোগ-সুবিধাও এই ব্যৱস্থাটোৰ সৈতে জড়িত হৈ আছে। আগ্ৰহী, ইচ্ছুক তথা উৎসাহী লোকশিল্পীয়ে যিকোনো শিল্পবস্তু নিৰ্মাণ কৰি ইণ্টাৰনেট সংযোজিত যিকোনো ব্যৱস্থা, যেনে ঃ ফেইচ্‌বুক, ইউটিউব, বিভিন্ন পে'জ আদিৰ জৰিয়তে বৃহত্তৰ জন-সমাজৰ মাজত প্ৰচাৰ-প্ৰসাৰ কৰিব পাৰে। এনে প্ৰচাৰ-প্ৰসাৰে শিল্পবোৰক জন-সমাজৰ মাজত পৰিচয় কৰাই দিয়াৰ লগতে মুকলি এখন বজাৰৰো ই সূচনা কৰাৰ সম্ভাৱনা আছে।

**৬.২ বৰপেটা তথা অসমৰ লোকশিল্পসমূহৰ প্ৰচাৰ-প্ৰসাৰ আৰু অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত কৰণীয় দিশ ঃ**

মূলতঃ ব্যাৱহাৰিক উদ্দেশ্যেৰে নিৰ্মিত লোকশিল্পবোৰৰ মাজত সংশ্লিষ্ট লোক-সমাজৰ ৰুচিবোধ তথা সৃজনীশীলতাৰ পৰিচয় নিহিত হৈ থাকে। সমাজ আৰু সভ্যতাৰো ই ধাৰক আৰু বাহক। এনে বৈশিষ্ট্যৰ পৰিপ্ৰেক্ষিততে সম্প্ৰতি উপহাৰ-সামগ্ৰী হিচাপে দেশ-বিদেশত লোকশিল্পৰ সমাদৰ যথেষ্ট বৃদ্ধি পাবলৈ লৈছে। এই সুযোগ লোকশিল্প উৎপাদনকাৰীসকলে গ্ৰহণ কৰিব পাৰিলে প্ৰচুৰ পৰিমাণে বৈদেশিক মুদ্ৰা অৰ্জন কৰাৰ সম্ভাৱনা আছে। এই ক্ষেত্ৰত উৎপাদনকাৰী আৰু বিপণনকাৰীৰ মাজত সমন্বয় সাধনৰ ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা আছে। লোকশিল্পীসকলক আৰ্থিকভাৱে সাহাৰ্য প্ৰদানৰ জৰিয়তেও উৎসাহিত কৰিব লাগিব। মেলা, প্ৰদৰ্শনী আদি অনুষ্ঠিত কৰি ইয়াৰ জনপ্ৰিয়কৰণত বিশেষ সহযোগিতা আগবঢ়াব পাৰিলে লোকশিল্পই যথোচিত মৰ্যাদা লাভ কৰিবলৈ সক্ষম হ'ব। নৱ-প্ৰজন্মকো প্ৰশিক্ষণ প্ৰদান কৰি ইয়াৰ নিৰ্মাণৰ পৰম্পৰা জীয়াই ৰাখিব লাগিব। কৃতী লোকশিল্পীক জাতীয় স্বীকৃতি প্ৰদানৰ জৰিয়তে প্ৰণোদিত কৰিলে অনাগত দিনত লোকশিল্পৰ চৰ্চাকাৰীৰ সংখ্যা বৃদ্ধি পাব। জিলাই জিলাই লোকশিল্পৰ বিপণন-কেন্দ্ৰ গঢ়ি তুলিলে ব্যৱসায়িক দিশত ই অধিক প্ৰসাৰ লাভ কৰাৰ সম্ভাৱনা আছে। বিদ্যালয়ৰ পাঠ্যক্ৰমতো লোকশিল্পৰ বিষয়টো অন্তৰ্ভুক্ত কৰাৰ প্ৰয়োজনীয়তা এই ক্ষেত্ৰত নুই কৰিব নোৱাৰি। প্ৰচাৰ মাধ্যমসমূহৰ জৰিয়তেও লোকশিল্পৰ প্ৰচাৰ-প্ৰসাৰৰ বাবে সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা আছে। এনেবোৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰিলে গ্ৰাম্য অৰ্থনীতিৰ উন্নয়নত লোকশিল্পই তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰিব বুলি আশা কৰিব পাৰি।

লোকশিল্পৰ জন্ম, লালন-পালন-পোষণ কুটীৰ শিল্পৰ আধাৰতে হয়। অৱশ্যে সম্প্ৰতি বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ দ্ৰুত উন্নয়ন তথা বিশ্বায়নৰ পৰিপ্ৰেক্ষিতত আধুনিক শিল্পজাত সামগ্ৰীসমূহে যিদৰে বজাৰ দখল কৰিছে, সেই অনুপাতে কুটীৰ শিল্পজাত লোকশিল্পৰ সামগ্ৰীসমূহে দখল কৰিব পৰা নাই। এই ক্ষেত্ৰত কুটীৰ শিল্পৰ যি অৱকাঠামো, তাৰ উন্নয়নৰ জৰিয়তে লোকশিল্পজাত সামগ্ৰীসমূহ বজাৰত সহজলভ্য আৰু সুলভ কৰাৰ পৰিৱেশ গঢ়ি তুলিব লাগিব। নকল বিদেশী পণ্য সামগ্ৰীয়ে বজাৰ দখল

কৰিব নোৱৰাকৈ জন-সমাজ সজাগ-সচেতন হ'ব লাগিব। চৰকাৰী-বেচৰকাৰী সকলো পক্ষৰে সহযোগিতা এই ক্ষেত্ৰত নিতান্তই প্ৰয়োজন।

সাম্প্ৰতিক অসমৰ বাণিজ্য-মেলা বা লোকশিল্পৰ অন্যান্য বিপণন কেন্দ্ৰসমূহ নিৰীক্ষণ কৰিলে প্ৰতীয়মান হয় যে চুবুৰীয়া বংগমূলীয় লোকশিল্পৰ কেতবোৰ সামগ্ৰীয়ে অসমৰ বজাৰ দখল কৰিছে। অসমৰ লোকশিল্পজাত কেতবোৰ সামগ্ৰীৰ সমধৰ্মী বস্তু সুলভ মূল্যতে গ্ৰাহকে বিভিন্ন বজাৰ বা মেলাত ক্ৰয় কৰিবলৈ সক্ষম হৈছে। তেনে পৰিপ্ৰেক্ষিতত অসমৰ লোকশিল্পৰ ক্ষেত্ৰখনে যথোচিত সম্প্ৰসাৰণ লাভ কৰিব নোৱাৰি কিছু ক্ষেত্ৰত সংকুচিত হৈ অহাহে পৰিলক্ষিত হৈছে। ইয়াৰ মূল কাৰণ, ব্যৱসায়িক দৃষ্টিভংগীৰে অসমৰ সৰহ সংখ্যক লোকশিল্পীয়ে শিল্পবস্তু তৈয়াৰ নকৰে। ফলত সংখ্যাগতভাৱে ইয়াৰ উৎপাদন অসমত বহুত কম। ফলত অন্য শিল্পবস্তুৱে অসমৰ বজাৰ দখল কৰিবলৈ সক্ষম হৈছে। এই ক্ষেত্ৰত ব্যৱসায়িকভাৱে অসমৰ লোকশিল্পকো আগবঢ়াই আনিলে স্ব-নিয়োজন তথা অসমৰ অৰ্থনীতিত ই সুদূৰপ্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰিব বুলি আশা কৰিব পাৰি। এই ক্ষেত্ৰত অসমৰ যুৱচামক শিল্প-চৰ্চাৰ প্ৰতি প্ৰণোদিত তথা উৎসাহিত কৰিব পাৰিলে লোকশিল্পৰ ক্ষেত্ৰখন সম্ভাৱনাময় হোৱাৰ অৱকাশ নিহিত হৈ আছে। ■■